# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-01-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

0000000

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ সুনিশ্চিত কৰিব আৰু মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস কৰাত সহায় কৰিব। এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পথ সুৰক্ষা বৃদ্ধি পাব, যাত্ৰাৰ সময় ৰাহি হ'ব আৰু দুৰ্ঘটনাৰ হাৰ হ্ৰাস পাব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ আৰু বিধায়ক উপস্থিত থাকিব।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব।

প্ৰধানমন্ত্ৰীয়ে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ১০ হাজাৰৰো অধিক শিল্পীয়ে পৰিৱেশন কৰা বড়োসকলৰ বাগৰুম্বা নৃত্য উপভোগ কৰে। শ্ৰী মোদীয়ে কয়, যে বাগৰুম্বা কেৱলমাত্ৰ উৎসৱ নহয়, এয়া বড়োসকলৰ কৃষ্টি, সংস্কৃতি আৰু পৰম্পৰাক সন্মান দিয়াৰ এটা মাধ্যম। অসমৰ সংস্কৃতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিবলৈ পোৱাটো তেওঁৰ বাবে সৌভাগ্য বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসমীয়া কলা সংস্কৃতিক বিশ্ব দৰবাৰত জিলিকাই তুলিবলৈ চৰকাৰে সুদূৰ প্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

***বাইট***

প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্ম, কালীচৰণ ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্মকে ধৰি বড়ো জাতিৰ পুৰোধাসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাগৰুম্বা দহৌ বড়ো জনগোষ্ঠীৰ অস্তিত্বৰ পৰিচিতি বুলি তেওঁ মত প্ৰকাশ কৰে।

অনুষ্ঠানত  মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়ো জনগোষ্ঠীক সমগ্ৰ ভাৰতৰ গৌৰৱৰ আৰু স্বাভিমানৰ প্ৰতীক বুলি অভিহিত কৰে। বাগৰুম্বা নৃত্যই বড়ো জনগোষ্ঠীৰ কৃষ্টি আৰু সংস্কৃতিক প্ৰতিনিধিত্ব কৰে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। তেওঁ লগতে কয় যে বড়ো জনগোষ্ঠীৰ উন্নয়ন আৰু উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি যাব। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিয়ে বড়ো  জনগোষ্ঠীৰ লোকসকলৰ সন্মান আৰু আদৰ্শক নতুন পৰ্যায়লৈ লৈ গল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

২০২৪-২৫ বৰ্ষৰ অনিৰ্ধাৰিত পুঁজিৰ আৱণ্টিত ৮ লাখ টকাৰে নিৰ্মাণ কৰা লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ১ নম্বৰ হিলৈদাৰী গাঁৱৰ নৱৰূপ ৰংগমঞ্চ কালি ৰাইজৰ বাবে মুকলি কৰা হ'ব। শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি নৱৰূপ যুৱ সংঘই আয়োজন কৰা তিনিদিনীয়া নাট প্ৰদৰ্শন কাৰ্যসূচীও কালি উদ্বোধন কৰা হয়। এই অনুষ্ঠানত ঢকুৱাখনাৰ বিধায়ক নৱ কুমাৰ দলেৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলাৰ তিতাবৰ বেচিক তিনিআলিত তিতাবৰ সমজিলা প্ৰশাসনৰ সহযোগত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে আয়োজন কৰা পৰিচ্ছন্নতা অভিযান কালি সফলতাৰে সম্পন্ন হয়। এই অভিযানত তিতাবৰৰ সমজিলা আয়ুক্ত, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, স্বেচ্ছাসেৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে অঞ্চলটো পৰিষ্কাৰ কৰি তোলে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে যোৱা নিশা ৮ বাজি ২ মিনিটৰ পৰা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰে। আলোকৰ বাটে বাটে শীৰ্ষক এই অনুষ্ঠানত বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰে। অনুষ্ঠানটোৰ পৰৱৰ্তী অংশ আজি সন্ধিয়া ৭ বাজি ৩৫ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**